আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, JANUARY 29, 2024>> 10 PM
www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩২
Guwahati, Assam ।। মূল্যঃ এটকা

# নিবনুৱা স্বামীয়ে গাৰুৱে হত্যা কৰিলে চাকৰিয়াল পত্নীক



চাৰ্ভিছ বুক, বীমা আৰু বেংক একাউণ্টত স্বামীক নমিনী হিচাপে উল্লেখ নকৰাৰ বাবেই বেকাৰ স্বামীয়ে নিৰ্মমভাৱে হত্যা কৰিলে চৰকাৰী আমোলা পত্নীক। এনে এক চাঞ্চল্যকৰ হত্যাকাণ্ড মধ্যপ্ৰদেশত সংঘটিত হৈছে এই ঘটনা।

সবিশেষ ৬ পৃষ্ঠাত



প্ৰেয়সীৰ মৰম পাই ছিকিউৰিটী গাৰ্ড হ'লগৈ সফল ক্ৰিকেটাৰ, ৩ পৃষ্ঠাত

## হেমন্ত চোৰেণৰ বাসভৱনত অভিযান, লালুকো চলালে জেৰা

# নিৰ্বাচন পালেহিয়েই! ৰাজ্যই ৰাজ্যই সক্ৰিয় ইডি

## কোটাত অঘটন উচ্চাকাংক্ষা! নতশিৰ নিহাৰিকা

বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত

ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ বিপদ আসন্ন। দিল্লীৰ আৱাসত সুৰক্ষা বৃদ্ধি কৰি গ্ৰেপ্তাৰৰ প্ৰস্তুতি। ভূমি কেলেংকাৰী গোচৰত ইডি-এ দিয়া চমনক মুখ্যমন্ত্ৰী চোৰেণে দিয়া নাই গুৰুত্ব।

সবিশেষ ২ পৃষ্ঠাত



## দিল্লীৰ আৱাসত সুৰক্ষা বৃদ্ধি কৰি গ্ৰেপ্তাৰৰ প্ৰস্তুতি

# ইডি সক্ৰিয়, বিপদ আসন্ন ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ

**ৰাঁচী, ২৯ জানুৱাৰীঃ** লোকসভা নিৰ্বাচনলৈ মাজত মাথো দুটা মাহ থকা অৱস্থাত ঝাৰখাণ্ডৰ মুখ্যমন্ত্ৰী তথা ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী হেমন্ত চোৰেণৰ বিপদ আসন্ন হৈ পৰিছে। ইতিমধ্যে দশমবাৰ জাননী জাৰি কৰি প্ৰৱৰ্তন সঞ্চালকালয়ৰ (ইডি) কাৰ্যালয়ত উপস্থিত নোহোৱাত আজি হেমন্ত চোৰেণৰ দিল্লীৰ বাসগৃহত অভিযান চলাবলৈ প্ৰস্তুতি চলায়। অৱশ্যে সেই সময়ত নিজ আৱাসত উপস্থিত নাছিল মুখ্যমন্ত্ৰী চোৰেণ। পুৱাৰে পৰা মুখ্যমন্ত্ৰী চোৰেণৰ দক্ষিণ দিল্লীৰ শান্তি নিকেতনস্থিত বাসগৃহত বৃদ্ধি পাইছে তৎপৰতা। হেমন্ত চোৰেণক গ্ৰেপ্তাৰৰ সম্ভাৱনাৰ বাবে বাসগৃহৰ বাহিৰত আৰু ভিতৰত বৃহৎ সংখ্যক সুৰক্ষা কৰ্মী মোতায়েন কৰা হয়। ভূমি কেলেংকাৰী গোচৰ সন্দৰ্ভত ইডিয়ে চোৰেণক প্ৰশ্ন কৰিবলৈ দিল্লীৰ বাসগৃহত উপস্থিত হোৱা বুলি জানিব পৰা গৈছে। এই খবৰ প্ৰকাশ পোৱাৰ পাছতে ৰাজ্যৰ মুখ্য সচিবে ঝাৰখণ্ডত সুৰক্ষা ব্যৱস্থা বৃদ্ধি কৰিছে। দিল্লীত হেমন্ত চোৰেণক গ্ৰেপ্তাৰৰ খবৰ প্ৰকাশৰ পাছতে ৰাঁচীস্থিত মুখ্যমন্ত্ৰীৰ আৱাসত ঝাৰখাণ্ড মুক্তি মৰ্চাৰ বিধায়কসকলে জৰুৰী বৈঠক অনুষ্ঠিত কৰে। উল্লেখ্য যে, ১৩ জানুৱাৰীত মুখ্যমন্ত্ৰী চোৰেণক অষ্টমখন চমন জাৰি কৰিছিল ইডিয়ে। তদন্তকাৰী সংস্থাটোৱে ১৬-২০ জানুৱাৰীৰ ভিতৰত সোধা-পোছাৰ বাবে তেওঁক ইডিৰ কাৰ্যালয়ত উপস্থিত হ'বলৈ কৈছিল। কিন্তু মুখ্যমন্ত্ৰীগৰাকীয়ে ইডিৰ কাৰ্যালয়ত উপস্থিত নোহোৱাত ২২ জানুৱাৰীত পুনৰ চমন জাৰি কৰি ২৭-৩১ জানুৱাৰীৰ ভিতৰত সোধা-পোছাৰ বাবে উপলব্ধ হ'বলৈ কয় ইডিয়ে। পৰৱৰ্তী সময়ত ইডিয়ে দশমখন চমনো প্ৰেৰণ কৰে মুখ্যমন্ত্ৰী চোৰেণলৈ। এই চমন জাৰি কৰি জেৰা কৰিবলৈ ২৯-৩১ জানুৱাৰীৰ ভিতৰত সময় বিচাৰে ইডিয়ে। ইয়াৰ পাছতে হেমন্ত চোৰেণ দিল্লীত উপস্থিত হয়। দিল্লীত উপস্থিত হৈ বিজ্ঞ অধিবক্তাৰ আইনী পৰামৰ্শ ল'ব বুলি জানিব পৰা গৈছে। ইয়াৰ পূৰ্বে ইডিয়ে ২০ জানুৱাৰীত ভূমি কেলেংকাৰীৰ গোচৰত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ ৰাঁচীৰ নিজ আৱাসত ভাষ্য লিপিবদ্ধ কৰিছিল। সেইদিনা জেৰা সম্পূৰ্ণ নোহোৱাত নতুন চমন জাৰি কৰা হৈছিল। ইডিয়ে ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী চোৰেণৰ প্ৰেছ উপদেষ্টা অভিষেক প্ৰসাদক ১৬ জানুৱাৰীত অবৈধ খনন গোচৰৰ সৈতে সম্পৰ্কিত ধনৰ সৰবৰাহ গোচৰত তদন্তত যোগদান কৰিবলৈ চমন জাৰি কৰিছিল।৩ জানুৱাৰীত ৰাঁচীত মিডিয়া উপদেষ্টা অভিষেক প্ৰসাদৰ বাসগৃহতো দিনজোৱা অভিযান চলোৱা হয়। লক্ষণীয় যে, বিজেপি চৰকাৰে দেশৰ বিৰোধী দল আৰু অ-বিজেপি চৰকাৰক ইডি, চিবিআই লগাই হাৰাশাস্তি কৰাৰ অভিযোগৰ মাজতে মুখ্যমন্ত্ৰী চোৰেণৰ বাবে মূৰৰ কামোৰণি হৈ পৰিছে ইডি। ইডিয়ে বাৰে বাৰে জাননী প্ৰদান কৰি অহাত চোৰেণক গ্ৰেপ্তাৰৰ আশংকা বৃদ্ধি পাইছে। বিৰোধীক নৰেন্দ্ৰ মোদী চৰকাৰে হাৰাশাস্তি কৰি অহাৰ অভিযোগৰ মাজতে অ-বিজেপি চৰকাৰ থকা ঝাৰখাণ্ডৰ মুখ্যমন্ত্ৰীক দশমবাৰ জাননী প্ৰেৰণ কৰিছে। প্ৰৱৰ্তন সঞ্চালকালয়ে আজি মুখ্যমন্ত্ৰী হেমন্ত চোৰেণক ভূমি কেলেংকাৰীৰ সৈতে জড়িত ধন সৰবৰাহৰ গোচৰত সোধা-পোছাৰ বাবে দিল্লীৰ বাসগৃহত উপস্থিত হয়। উল্লেখ্য যে হেমন্ত চোৰেণৰ দল ঝাৰখণ্ড মুক্তি মৰ্চা আৰু কংগ্ৰেছে মিত্ৰতা কৰি ঝাৰখণ্ডত চৰকাৰ চলাই আছে। উল্লেখ্য যে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালকো ইডিয়ে একাধিকবাৰ চমন জাৰি কৰিছে।

## কেন্দ্ৰীয় মন্ত্ৰীৰ ঘোষণাত ক্ষুব্ধ, 'কা' কোনোপধ্যেই মানি নলওঃ ৰাজু বৰা

**ই-সংবাদ, কামপুৰ, ২৯ জানুৱাৰীঃ** দেশত শীঘ্ৰে নাগৰিকত্ব সংশোধনী বিধেয়ক কাৰ্যকৰী কৰিব বুলি বিজেপিৰ মন্ত্ৰীয়ে ঘোষণা কৰাৰ পাছতে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। সাত দিনৰ ভিতৰত 'কা' বলৱৎ কৰিম বুলি কেন্দ্ৰীয় মন্ত্ৰী শান্তনু ঠাকুৰে দিয়া গেৰাণ্টিক লৈ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সভাপতি ৰাজু বৰাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি 'কা' আমি কোনোপধ্যে মানি নলওঁ বুলি হুংকাৰ প্ৰদান কৰিছে। সাতদিনৰ ভিতৰত 'কা' বলৱৎ হলে পুনৰ ৰাজপথলৈ ৰাইজক ওলাই আহিবলৈ আহ্বান জনায় ৰাজু বৰাই। আনহাতে যি সময়ত 'কা' বাতিলৰ দাবীত নেতৃত্বত লোৱা একাংশ নেতাই নিজৰ স্বাৰ্থৰ বাবে এতিয়া বিজেপিত যোগদান কৰাত ধিক্কাৰ জনাই সভাপতিগৰাকীয়ে। সেইবোৰ নেতাই নিৰ্বাচন খেলিলে ভোট বৰ্জন কৰিবলৈ ৰাইজক আহ্বান ৰাজু বৰাৰ।

# চিকিউৰিটি গাৰ্ডৰ হাতত বিধ্বস্ত বিশ্বকাপ জয়ী অষ্ট্ৰেলিয়া




## দুৰ্দিনত প্ৰেয়সীয়ে যোগোৱা সাহসৰ বাবেই হাতত তুলি লৈছিল বল

**ই-সংবাদ, ২৯ জানুৱাৰীঃ** নিশাৰ ভিতৰতে সমগ্ৰ বিশ্বত খলকনি লগালে এজন যুৱ ক্ৰিকেটাৰে৷ অসম্ভৱক সম্ভৱ কৰি ২৪ বছৰীয়া যুৱকে বিশ্বকাপ বিজয়ী দল অষ্ট্ৰেলিয়াৰ মাটিতে বিধ্বস্ত কৰি পেলালে৷ ৱেষ্ট ইণ্ডিজ দলে ২৭ বছৰৰ মূৰকত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে টেষ্ট মেচ জিকিবলৈ সক্ষম হৈছে এইজন যুৱকৰ বাবেই৷ ইণ্টাৰেনট জগতত খলকনি লগোৱা এই যুৱক হৈছে শ্বামাৰ যোচেফ৷ অষ্ট্ৰেলিয়া আৰু ৱেষ্ট ইণ্ডিজৰ মাজত দুখন খেলৰ শৃংখলাৰ টেষ্ট মেচত বিধ্বংসী বলিং কৰে শ্বামাৰে৷ প্ৰথম ইনিংছত অষ্ট্ৰেলিয়াৰ দ্ৰুত বলাৰ মিচেল ষ্টাৰ্কৰ বলত ভৰিৰ আঙুলিত আঘাত পায় খেলপথাৰ এৰিবলগীয়া হৈছিল শ্বামাৰ যোচেফে৷ শ্বামাৰক হাস্পতালত স্কেন কৰাৰ পাছত কোনো ফ্ৰেকচাৰ ধৰা পৰা নাছিল। ব্ৰিছবেনত অনুষ্ঠিত দ্বিতীয় টেষ্টৰ তৃতীয় দিনা ৱেষ্ট ইণ্ডিজ ১৯৩ ৰাণত আউট হয়। অৱশ্যে, দুখন খেলৰ শৃংখলাটো চুইপ কৰিবলৈ অষ্ট্ৰেলিয়াক মাত্ৰ ২১৬ ৰাণৰ প্ৰয়োজন আছিল৷ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে দ্বিতীয় ইনিংছত খেলিবলৈ নামিছিল শ্বামাৰ যোচেফ৷ শ্বামৰ যোচেফে দ্বিতীয় ইনিংছত ৬৮ ৰাণ দি ৭ উইকেট দখল কৰে৷ ফলত ৱেষ্ট ইণ্ডিজৰ হাতত ৮ ৰানত পৰাজিত হয় অষ্ট্ৰেলিয়া। বিগত বিশ্বকাপত খেলিবলৈ যোগ্যতা অৰ্জন কৰা নাছিল ৱেষ্ট ইণ্ডিজ দলে৷ কিন্তু টেষ্ট মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে জীয় হোৱাত ব্ৰায়ান লাৰাৰ দৰে বিখ্যাত খেলুৱৈ ফেকুৰি উঠিল৷ ৱেষ্ট ইণ্ডিজ দলক নতুন ৰূপত আবিৰ্ভাৱ কৰিলে শ্বামাৰ যোচেফে৷ শ্বামাৰ যোচেফৰ জন্ম হৈছিল ১৯৯৯ চনৰ ৩১ আগষ্টত৷ শ্বামাৰ যোচেফ এজন গায়ানীজ ক্ৰিকেটাৰ৷ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত নিজ দেশ গায়ানাৰ হৈ খেলে যদিও আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৱেষ্ট ইণ্ডিজ দলৰ হৈ খেলিছে। অষ্ট্ৰেলিয়াৰ দৰে বিশ্বকাপ বিজয়ী দলক ঢোকে ঢোকে পানী খুৱাই শ্বামাৰ যোচেফে৷ অষ্ট্ৰেলিয়া আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ টেষ্ট মেচত ১৫০ কিলোমিটাৰ গতিত বলিং কৰিছিল শ্বামাৰে৷ শ্বামাৰৰ বলৰ গতিক চম্ভালিব নোৱাৰি অষ্ট্ৰেলিয়া দল পৰাজিত হয়৷ দক্ষিণ আমেৰিকাৰ উত্তৰ আটলাণ্টিক উপকূলৰ এখন দেশ গায়ানা৷ যোচেফ গায়ানাৰ পূব বেৰবিচ-কোৰেনটাইনৰ বাৰাকাৰাৰ বাসিন্দা৷ বাৰাকাৰাৰ জনসংখ্যা হৈছে ৩৫০ জন। ১৫০ কিলোমিটাৰ গতিত বলিং কৰিছিল শ্বামাৰে৷ শ্বামাৰৰ বলৰ গতিক চম্ভালিব নোৱাৰিলে অষ্ট্ৰেলিয়াই৷ ৱেষ্ট ইণ্ডিজে ১৯৯৭ চনৰ পাছত তথা ২৭ বছৰৰ অন্তত শ্বামাৰৰ সহয়াত অষ্ট্ৰেলিয়াৰ মাটিত প্ৰথম টেষ্ট জয়ী হৈ বিশ্ব অভিলেখ গঢ়িলে৷ আজিও নদী পথেৰে যাত্ৰা কৰি বাৰাকাৰাৰ সৈতে সংযোগ কৰিবলগীয়া হয় মানুহে৷ কেঞ্জে নদীত ২২৫ কিলোমিটাৰ নাৱেৰে দুদিন যাত্ৰা কৰি নিজ গাঁৱত সংযোগ কৰে গাওঁখনৰ বাসিন্দাসকলে৷ মুখ্য বন্দৰ চহৰ নিউ আমষ্টাৰডামৰ সৈতে সংযোগ কৰিবলৈ দুদিন যাত্ৰা কৰি বাৰাকাৰাক উজ্বলাই তুলিলে যোচেফে৷ ইণ্টাৰনেট সুবিধা বা টেলিফোন সংযোগৰ কোনো সুবিধা নোহোৱাকৈ ডাঙৰ-দীঘল হৈছে যোচেফ৷ ২০১০ চনলৈ বাৰাকাৰাত কেৱল এটা ব্লেক-এণ্ড-হোৱাইট টেলিভিছন আছিল৷ ২০১৮ চনত লেণ্ড-লাইন যোগে ব্ৰডব্ৰেণ্ড ইণ্টাৰনেট সংযোগ কৰা হয়। বৰাকাৰাত কেৱল এখন সৰু স্বাস্থ্য কেন্দ্ৰ আৰু এখন প্ৰাথমিক বিদ্যালয় আছে। যোচেফে ভাতৃ-ভগ্নী আৰু পিতৃৰ সৈতে উদ্যোগত শ্ৰমিক হিচাপে কাম কৰিছিল৷ বাৰাকাৰাৰ পৰা উদ্যোগৰ বাবে কাঠ কেঞ্জে নদীৰে নিউ আমষ্টাৰডামলৈ সৰবৰাহ কৰিছিল। এদিন কাঠ সৰবৰাহ কৰাৰ সময়তে নদীত ভাহি অহা গছত খুন্দা খাইছিল৷ যোচেফ আঘাতপ্ৰাপ্ত হয়৷ ফলত যোচেফে বাৰাকাৰাৰ পৰা গৈ নিউ আমষ্টাৰডামত কাম কৰাৰ সিদ্ধান্ত লয়৷ নিউ আমষ্টাৰডামত যোচেফে নিৰ্মাণ শ্ৰমিকে হিচাপে কাম আৰম্ভ কৰিছিল৷ তাৰ পিছত নিউ আমষ্টাৰডামৰ স্কটিয়া বেংকৰ এমালগামেটেড চিকিউৰিটি চাৰ্ভিচেছত চিকিউৰিটি হিচাপে কাম কৰিছিল। দিন-ৰাতি ১২ ঘণ্টাৰ শ্বিফ্টত কাম কৰিছিল৷ কিন্তু প্ৰায় তিনিবছৰৰ অন্তত প্ৰেমিকাৰ সহায়ত যোচেফে চাকৰি এৰি সম্পূৰ্ণ সময় ক্ৰিকেটৰ প্ৰশিক্ষণ ল'বলৈ আৰম্ভ কৰে৷ যোচেফৰ তিনিগৰাকী ভগ্নী আৰু পাঁচগৰাকী ভাতৃ৷ যোচেফে ৱেষ্ট ইণ্ডিজ ক্ৰিকেট দলৰ বলাৰ কাৰ্টলি এমব্ৰোছ আৰু কৰ্টনি ৱালছক অনুসৰণ কৰিছিল৷ কাৰ্টলি এমব্ৰোছ আৰু কৰ্টনি ৱালছৰ হাইলাইট চাইছিল৷ গাঁৱত কেঁচা নেমু, মধুৰিআম আদিৰে বলিঙৰ প্ৰশিক্ষণ আৰম্ভ কৰিছিল৷ যাক বাৰাকাৰাত জংঘল ভূমি ক্ৰিকেট বুলি অভিহিত কৰা হৈছিল।

## প্ৰেমৰ চলনাৰে যুৱতীৰে নিন্দনীয় কাণ্ড, ফটো ভাইৰেল

# বিবাহিত জনগোষ্ঠীয় নেতা প্ৰফুল্ল কছাৰীক গ্ৰেপ্তাৰ

**ই-সংবাদ, ২৯ জানুৱাৰীঃ** লম্পট জনগোষ্ঠীয় সংগঠনৰ নেতাই নিজ জনগোষ্ঠীৰ এগৰাকী যুৱতীক প্ৰেমৰ চলনাৰে নিন্দনীয় কাণ্ড কৰাত পৃথিৱীৰ পৰা বিদায় ল'বলৈ বাধ্য হৈছিল কন্যাগৰাকীয়ে। ছাত্ৰী তথা প্ৰেমিকাৰ সৈতে অন্তৰংগ মুহূৰ্তৰ ফটো তুলি ভাইৰেল কৰিছিল প্ৰফুল্ল কছাৰী নামৰ জনগোষ্ঠীয় সংগঠনৰ নেতাজনে। সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ নেতা আছিল প্ৰফুল্ল কছাৰী। প্ৰফুল্ল কছাৰীক আজি গুৱাহাটীৰ নুনমাটি আৰক্ষীয়ে ধেমাজিত গ্ৰেপ্তাৰ কৰিছে। প্ৰফুল্ল কছাৰীয়ে অন্তৰংগ মুহূৰ্তৰ ফটো ভাইৰেল কৰাত যুৱতীয়ে চূড়ান্ত পথ বাছি লোৱাৰ অভিযোগ উত্থাপন হৈছিল। মহানগৰীত পানীখাইতিত ২৩ জানুৱাৰীত এই ঘটনা সংঘটিত হৈছিল। পানীখাইতিত পেয়িং গেষ্টত থাকি এখন বিশ্ববিদ্যালয়ৰ ৰেডিঅ'লজি বিভাগত অধ্যয়ন কৰি থকা ধেমাজিৰ ছাত্ৰীয়ে আত্মহত্যা কৰিছিল।

ছাত্ৰীগৰাকীয়ে আত্মহত্যা কৰাৰ পূৰ্বে যুৱতী আৰু প্ৰফুল্ল কছাৰীৰ কিছু অসংযত অৱস্থাৰ ফটো সামাজিক মাধ্যম যোগে প্ৰচাৰ হৈছিল। ফটোত যুৱতীৰ শিৰত সেন্দুৰ থকা বুলিও জানিব পৰা গৈছে। সেই ফটো যুৱতীৰ পৰিয়ালৰ লোকেও লাভ কৰিছিল। যুৱতীৰ সৈতে ফটো থকা সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ নেতা প্ৰফুল্ল কছাৰীয়ে যুৱতীক প্ৰৱঞ্চনা কৰাৰ ফলত আত্মহত্যা কৰাৰ অভিযোগ আনি পৰিয়ালে এজাহাৰ দাখিল কৰে। প্ৰথম অৱস্থাত গুৱাহাটীৰ দুখন আৰক্ষী থানাই এজাহাৰ ল'বলৈ মান্তি হোৱা নাছিল। ধেমাজিত এজাহাৰ দাখিল কৰিবলৈ পৰামৰ্শ দিছিল। প্ৰাগজ্যোতিষপুৰ থানা আৰু পানীখাইটি আৰক্ষী চকীৰ আৰক্ষীৰ ব্যৱহাৰত যুৱতীৰ পৰিয়াল অতিষ্ঠ হৈছিল। পাছত উচ্চপদস্থ আৰক্ষী বিষয়াৰ হস্তক্ষেপত নুনমাটি আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰি প্ৰফুল্ল কছাৰীক গ্ৰেপ্তাৰ কৰে। পৰিয়ালৰ অভিযোগ মতে, প্ৰফুল্ল কছাৰীয়ে অন্তৰংগ মুহূৰ্তৰ ফটো ভাইৰেল কৰাত তেওঁলোকৰ কন্যাই চৰম সিদ্ধান্ত লৈছে। পৰিয়ালটোক সহায় কৰিছিল সোণোৱাল কছাৰী ছাত্ৰ সন্থাই। অভিযুক্ত প্ৰফুল্ল কছাৰীক সংগঠনটোৰ পৰা বহিষ্কাৰ কৰা হৈছে আৰু প্ৰফুল্ল কছাৰী বিবাহিত।

## ডিমা হাছাওৰ নিৰ্বাচনৰ পাছতে কংগ্ৰেছ নেতৃত্বৰে সংঘাত

# হাত এৰি হাতীত উঠিল অপূৰ্ব কুমাৰ ভট্টাচাৰ্য

**ই-সংবাদ, ২৯ জানুৱাৰীঃ** তীব্ৰ ক্ষোভ আৰু হতাশাৰ বশৱৰ্তী হৈ কংগ্ৰেছ ত্যাগ কৰি আজি অগপ দলত যোগদান কৰিলে অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই। অগপৰ সভাপতি অতুল বৰাৰ উপস্থিতিত অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই দলটোত যোগদান কৰে। আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত দলটোৰ প্ৰাথমিক সদস্য পদ গ্ৰহণ কৰি ভট্টাচাৰ্যই অগপত আনুষ্ঠানিকভাৱে যোগদান কৰে। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক আৰু জ্যেষ্ঠ মুখপাত্ৰৰ দায়িত্বত আছিল অপূৰ্ব কুমাৰ ভট্টাচাৰ্য। ভট্টাচাৰ্যৰ লগতে অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সম্পাদক পৱন শইকীয়া, তৃণমূল কংগ্ৰেছৰ নেতা মিহিৰ পাল, অসম জাতীয় পৰিষদৰ গোলঘাট জিলা সমিতিৰ সভাপতি অজিত গগৈ, সম্পাদক ৰাতুল সন্দিকৈ, অসীম শইকীয়া, গৌতম বৰুৱা, মুকেশ লইং, বিকাশ বৰা, গোৱালপাৰা মণ্ডল কংগ্ৰেছৰ প্ৰাক্তন সভাপতি মতৰ আলীয়ে অগপত যোগদান কৰে। এইসকল বিৰোধী দলৰ নেতাক অসম গণ পৰিষদলৈ উষ্ম আদৰণি জনাই অতুল বৰাই। অতুল বৰাই যোগদান কাৰ্যসূচীৰ অন্তত কয় যে ন-পুৰণি সকলোৰে মিলি আহি থকা সময়ত অগপক অসমৰ জাতীয়তাবাদৰ এক নতুন শক্তিশালী স্তম্ভ হিচাপে গঢ়িব লাগিব। নতুনৰ উদ্যম আৰু পুৰণিৰ অভিজ্ঞতাৰে অগপক নতুন ৰূপত উজ্জীৱিত কৰিবলৈ সক্ষম হম বুলিও কয় বৰাই। যোগদান কাৰ্যসূচীত অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, কমলা কলিতা উপস্থিত থাকে। উত্তৰ কাছাৰ স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ টিকট প্ৰদান আৰু ধনৰ লেন-দেনক লৈ অপূৰ্ব কুমাৰ ভট্টাচাৰ্যৰ প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰ সৈতে সংঘাত লগাৰ পাছতে কংগ্ৰেছৰ পৰা একাষৰীয়া হোৱাত কংগ্ৰেছ ত্যাগ কৰিবলৈ বাধ্য হোৱা বুলি অভিযোগ উত্থাপন হৈছিল।

# ‘পৰীক্ষা পে চৰ্চা’, ছাত্ৰ সমাজক প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ

**নতুন দিল্লী, ২৯ জানুৱাৰীঃ** প্ৰধানমন্ত্ৰী মোদীয়ে আজি সমগ্ৰ দেশৰ শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে৷ নৰেন্দ্ৰ মোদীয়ে ছাত্ৰ সমাজক পৰীক্ষাৰ প্ৰস্তুতিক লৈ পৰামৰ্শ দিয়া দেখা যায়। ‘পৰীক্ষা পে চৰ্চা’ কাৰ্যসূচীত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে পৰীক্ষা কেতিয়াও জীৱনত শেষ নহয়। আমি ইতিবাচক আৰু আত্মবিশ্বাসেৰে পৰীক্ষাৰ সন্মুখীন হোৱা উচিত। প্ৰধানমন্ত্ৰী মোদীয়ে ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি কয় যে মোৰ ওচৰতো পৰীক্ষা আছে। পৰীক্ষা সকলোৰে জীৱনলৈ আহে। যিকোনো ধৰণৰ চাপ মুক্ত হৈ নিজকে শক্তিশালী কৰি তোলক। জীৱনত বহু সমস্যা আছে, এনে পৰিস্থিতিত আমি সাজু থাকিব লাগিব বুলিও কয় মোদীয়ে৷ প্ৰধানমন্ত্ৰী মোদী আৰু কয় যে আমি পৰীক্ষাক লৈ বেছি চিন্তা কৰা উচিত নহয়। আমি ক্ৰমান্বয়ে অধ্যয়নত গুৰুত্ব দিব লাগে। জীৱনটোত নিজৰ ওপৰত হেঁচা দিব নালাগে। অভিভাৱকসকলেও শিশুৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। অভিভাৱকে নিজৰ সন্তানক আন শিশুৰ উদাহৰণ দিয়ে। ঘৰৰ সকলো সদস্যই শিশুসকলৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। কেতিয়াবা বুজাবুজিৰ অভাৱৰ বাবে আমি অসুবিধাত পৰো। এনে পৰিস্থিতিত, আমি সমস্যাৰ সৃষ্টিৰ কাৰকটোক লৈ চিন্তা কৰা উচিত। শিক্ষাৰ্থীসকলৰ বাবে সকলোৰে একেলগে কাম কৰা উচিত। পৰিয়ালে শিশুসকলৰ সৈতে কথা পাতিব লাগে। প্ৰধানমন্ত্ৰী মোদী অভিভাৱকে চাপ সৃষ্টি কৰে বুলি উল্লেখ কৰি কয় ‘সদায়ে শিশুক আন শিশুৰ সৈতে তুলনা কৰা হয়। ঘৰত মাক, দেউতাক, ভাই-ভনী সকলোৰে একেলগে চাপ দিয়ে। এই চাপৰ পাছত শিক্ষকেও চাপ দিয়ে। এনে পৰিস্থিতিত, মই অভিভাৱকক নিজৰ শিশুক আনৰ শিশুৰ সৈতে তুলনা নকৰিবলৈ অনুৰোধ জনাইছো। ইয়াৰ দ্বাৰা শিশুসকলৰ মনত ঘৃণাৰ অনুভূতি উদ্ভৱ হয়। প্ৰধানমন্ত্ৰী মোদীয়ে শিক্ষাৰ্থীৰ সৈতে হোৱা বাৰ্তালাপত শিশুক নিজৰ সৈতে প্ৰতিযোগিতা কৰাৰ পৰামৰ্শ দি কয় যে ১০০ পইণ্টত, কিছুমানে ৯০ পইণ্ট আৰু কিছুমানে কম লাভ কৰে। যদি দেখা যায় ১০০ পইণ্ট সকলোৰে বাবে। আমি নিজে কাম কৰিবলৈ চেষ্টা কৰা উচিত। কাকো ঘৃণা নকৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে শিক্ষাৰ্থীসকলৰ সৈতে হোৱা বাৰ্তালাপত স্মাৰ্ট শিশুসকলৰ সৈতে বন্ধুত্ব কৰা উচিত আৰু ঘৃণা নকৰিব বুলি কয়। আপুনি বন্ধুবৰ্গৰ পৰা বহু বিষয়ৰ তথ্য প্ৰাপ্ত কৰিব পাৰে। যদি কোনোবাই গণিতত ভাল, তেন্তে তেওঁৰ পৰা গণিত শিকক। যদি কোনোবাই ভাষাত ভাল, তেন্তে তেওঁৰ পৰা ভাষা শিকক। বন্ধুত্ব সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বন্ধুত্বত লাভ আৰু লোকচান নাথাকে। বন্ধুত্ব জীৱনজুৰি থাকে। আমি ভাল বন্ধুৰ পৰা শিকিব লাগে। সংগীত শিকাই থকা শিক্ষকক লৈ মোদীয়ে কয় যে সংগীতে সমগ্ৰ বিদ্যালয়ৰ শিশুৰ চাপ উপশম কৰিব পাৰে। সংগীতৰ জৰিয়তে সহজে শিক্ষাৰ্থীক অনুপ্ৰাণিত কৰিব পাৰো। শিক্ষাৰ্থীসকলৰ সৈতে গভীৰ সম্পৰ্ক থাকিব লাগে। শ্ৰেণীৰ আৰম্ভণিৰ পৰা শ্ৰেণীৰ শেষলৈকে শিক্ষাৰ্থীৰ সৈতে সংযুক্ত হৈ থাকিব। এনে পৰিস্থিতিত, শিশুৰ চাপ আঁতৰ কৰিব পাৰি। এজন শিক্ষকৰ কাম শিশুৰ জীৱন সলনি কৰা। জীৱন সলনি কৰি, আমি এক উন্নত ভৱিষ্যত আৰম্ভ কৰিব পাৰো। কিতাপৰ মাজত আৱদ্ধ নাৰাখিব, স্ফূৰ্তিত জীয়াই থাকক, সময়ত আহাৰ গ্ৰহণ, সময় মতে নিদ্ৰা, অভিভাৱক বিশ্বাস দিয়া, মোবাইলৰ ঋণাত্মক ব্যৱহাৰ, কেৰিয়াৰ নিৰ্বাচনক লৈ অযথা হাৰাশাস্তিৰ সন্মুখীন নহ’বলৈও শিশুক কয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে৷

# আকৌ কোটাত আত্মঘাতী ছাত্ৰী, প্ৰৱল উচ্চাকাংক্ষাৰ সন্মুখত নতশিৰ নিহাৰিকাৰ!

**জয়পুৰ, ২৯ জানুৱাৰীঃ** উচ্চাকাংক্ষাৰ সন্মুখত পুনৰ নতশিৰ শিক্ষাৰ্থীৰ। ভাল প্ৰদৰ্শন, সুৰক্ষিত ভৱিষ্যতৰ বোজা কঢ়িয়াব নোৱাৰি উচ্চ শিক্ষাৰ কেন্দ্ৰস্বৰূপ ৰাজস্থানৰ কোটাত আত্মহত্যাৰ পথ বাছি ল’লে এগৰাকী ১৮ বছৰীয়া ছাত্ৰীয়ে। যৌথ প্ৰৱেশ পৰীক্ষালৈ মাজত আৰু মাত্ৰ দুটা দিন থকা সময়তে ভাড়াঘৰত অভিভাৱকলৈ চিঠি লিখি আত্মহনন কৰে নিহাৰিকা নামৰ যুৱতীগৰাকীয়ে। আৰক্ষীৰ সূত্ৰ অনুসৰি, কোটাৰ এটা ভাড়াঘৰত থাকি জইণ্ট এণ্ট্ৰেন্স মেইনছৰ বাবে প্ৰস্তুতি চলাই আছিল নিহাৰিকাই। কিন্তু পঢ়াৰ অধিক চাপৰ বাবে মানসিকভাৱে ভাগি পৰা ছাত্ৰীগৰাকীয়ে পৰীক্ষালৈ মাত্ৰ দুটা দিন থকা সময়তে পিতৃ-মাতৃলৈ এখন চিঠি লিখি আত্মহত্যা কৰে। ছাত্ৰীগৰাকীয়ে চিঠিত নিজকে 'আটাইতকৈ বেয়া কন্যা' বুলি অভিহিত কৰি পৰীক্ষা দিব নোৱাৰাৰ বাবে পিতৃ-মাতৃৰ ওচৰত ক্ষমা বিচাৰে। ছাত্ৰীগৰাকীয়ে চুইচাইড নোটত আত্মহত্যাই তেওঁৰ শেষ পথ আছিল বুলিও উল্লেখ কৰে। ইফালে এই ঘটনাৰ পিছতে আৰক্ষীয়ে ছাত্ৰীগৰাকীৰ পৰিয়ালৰ সৈতে যোগাযোগ কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখ্য যে, শিক্ষা নগৰী কোটাত উচ্চ শিক্ষাৰ প্ৰবল চাপে ইতিমধ্যে প্ৰাণ কাঢ়িছে বহু শিক্ষাৰ্থীৰ। ২০২৪ৰ প্ৰথম মাহটোতে ইতিমধ্যে কোটাত আত্মঘাতী হৈছে দুগৰাকী শিক্ষাৰ্থী। ২৩ জানুৱাৰীতো কোটাৰ ভাড়াঘৰত থাকি নেট পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা উত্তৰ প্ৰদেশৰ এজন ছাত্ৰই আত্মহত্যা কৰিছিল।

## কংগ্ৰেছ নিশ্চিহ্ন হ'ব বুলি কৈ মন্ত্ৰী পীয়ুষ হাজৰিকাৰ দাবী

# ৫ ফেব্ৰুৱাৰীত বিজেপিত যোগ দিব বহু প্ৰভাৱশালী কংগ্ৰেছীয়ে

**ই-সংবাদ, ২৯ জানুৱাৰীঃ** বহু কংগ্ৰেছীয়ে বিজেপিত যোগদান কৰিবলৈ সাজু হৈ আছে৷ কংগ্ৰেছৰ আৰু বহু নেতাই ৫ ফেব্ৰুৱাৰীত দল ত্যাগ কৰিবলৈ সাজু হৈছে। আজি এই কথা অকপটে স্বীকাৰ কৰিলে মন্ত্ৰী পীয়ুষ হাজৰিকাই৷ যুৱ কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী অংকিতা দত্ত আৰু কংগ্ৰেছৰ প্ৰাক্তন বিধায়িকা বিস্মিতা গগৈয়ে বিজেপিত যোগদানৰ পাছতে আজি এই দাবী কৰিছে মন্ত্ৰী পীয়ুষ হাজৰিকাই৷ মন্ত্ৰী পীয়ুষ হাজৰিকাই কয় যে ৫ ফেব্ৰুৱাৰীত আৰু বহু নেতাই কংগ্ৰেছ ত্যাগ কৰিব। ৫ ফেব্ৰুৱাৰীত প্ৰভাৱশালী নেতা আৰু দলীয় কৰ্মী কংগ্ৰেছৰ পৰা ওলাই আহিব। প্ৰতিদিনে কোনোবাই নহয়, কোনোবাই আমাৰ দলত যোগদান কৰিম বুলি কৈ আহিছে। সেয়েহে মই কৈছিলো কংগ্ৰেছ দল নিশ্চিহ্ন হ'ব৷ তেতিয়া মোক গালি পাৰিছিল। এতিয়া আপোনালোকে চাব। এই যোগদানৰ ঢৌ অব্যাহত থাকিব৷ বন্ধ নহয়। হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ হৈ কাম কৰি আছে, নৰেন্দ্ৰ মোদীয়ে দেশৰ হৈ কাম কৰি আছে। ৰাইজে ভাল পাইছে৷ বিৰোধী দলৰ নেতাসকলেও আমাক সমৰ্থন কৰি বিজেপিত যোগদান কৰিবলৈ বাধ্য হৈছে। আছুৰ প্ৰাক্তন সভাপতি দীপাংক কুমাৰ নাথ, উপদেষ্টা প্ৰকাশ দাস, অংকিতা দত্ত, কংগ্ৰেছ নেত্ৰী বিস্মিতা গগৈৰ পাছতে কমল কুমাৰ মেধিয়েও বিজেপিত যোগ দিবলৈ সাজু হৈছে।

# গাৰুৰে নিবনুৱা স্বামীয়ে হত্যা কৰিলে চাকৰিয়াল পত্নীক

## নমিনীত নাম নিদিয়া বাবেই কাজিয়াৰ সূত্ৰপাত

**ভুপাল, ২৯ জানুৱাৰীঃ** চাৰ্ভিছ বুক, বীমা আৰু বেংক একাউণ্টত স্বামীক নমিনী হিচাপে উল্লেখ নকৰাৰ বাবেই বেকাৰ স্বামীয়ে নিৰ্মমভাৱে হত্যা কৰিলে চৰকাৰী আমোলা পত্নীক। এনে এক চাঞ্চল্যকৰ হত্যাকাণ্ড সংঘটিত হৈছে মধ্যপ্ৰদেশত। নিহত মহিলা আমোলাগৰাকী হৈছে দিন্দোৰী জিলাৰ শ্বাহপুৰাত নিযুক্ত মহকুমা দণ্ডাধীশ নিশা নাপিত। খবৰ অনুসৰি, মহকুমা দণ্ডাধীশগৰাকীয়ে তেওঁৰ চাৰ্ভিছ বুক, বীমা আৰু বেংক একাউণ্টত স্বামী মনীষ শৰ্মাক নমিনী হিচাপে উল্লেখ নকৰাৰ বাবেই দুয়োৰে মাজত সূত্ৰপাত ঘটা কাজিয়াৰ পিছত গাৰুৰে মুখত হেঁচা মাৰি ধৰি স্বামীয়ে হত্যা কৰে। ইফালে এই হত্যাকাণ্ডৰ পিছত তেজ লগা গাৰুৰ কভাৰ আৰু বিচনা চাদৰ ধুই পৰিস্কাৰ কৰি মৃত্যুৰ প্ৰকৃত কাৰণ লুকুৱাবলৈ চেষ্টা কৰে হত্যাকাৰী স্বামীয়ে। ইয়াৰ পিছত মনীষে পত্নীৰ মৃত্যুৰ এক কল্পিত কাহিনী ৰচনা কৰে। তেওঁ কয় যে বৃক্কৰ ৰোগত আক্ৰান্ত হৈ থকা পত্নীয়ে শনিবাৰে নিশা আহাৰ গ্ৰহণৰ পিছতে বমি কৰিছিল। ইয়াৰ পিছত তেওঁক ঔষধ খাবলৈ দিয়াত ঔষধ খাই শুই পৰে। মনীষে কয়, "পিছদিনা পুৱা দেওবাৰ বাবে নিশাক মই জগোৱা নাছিলো। ১১ মান বজাত আমাৰ কাম কৰা মানুহজনী ঘৰলৈ আহে। সেই সময়ত মই ফুৰিবলৈ ওলাই গৈছিলো। কাম কৰা মানুহজনীয়ে মোক ফোন কৰি নিশা শুই থকাৰ কথা কোৱাত মই ঘৰলৈ আহি দুপৰীয়া দুই মান বজাত তাইক জগাবলৈ চেষ্টা কৰিলো। কিন্তু উশাহ নিশা নোলোৱাত মই প্ৰথমে চিপিআৰ দিলো, আৰু তাৰ পিছত চিকিৎসকক ফোন কৰাত হাস্পতাললৈ লৈ যোৱাৰ কথা ক'লে। ৪ মান বজাত মই নিশাক লৈ হাস্পতাললৈ যাওঁ যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে।'' ইফালে মনীষ শৰ্মাৰ এই কাহিনী মানি ল'বলৈ অস্বীকাৰ কৰি মহিলা আমোলাগৰাকীৰ ভগ্নী নীলিমা নাপিতে মনীষ শৰ্মাৰ বিৰুদ্ধে টকাৰ বিনিময়ত শাৰীৰিক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰে। আনহাতে নিশাৰ নাক আৰু মুখৰ পৰা তেজ ওলোৱাৰ প্ৰমাণ প্ৰত্যক্ষ কৰি আৰক্ষীয়ে এয়া হত্যাকাণ্ড বুলি সন্দেহ কৰে। পিছত ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাই ঘটনাৰ গভীৰতালৈ গৈ অৱশেষত আমোলাগৰাকীৰ মৃত্যুৰ ৰহস্য ভেদ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে নিশা নাপিতৰ ঘৰৰ ৱাশ্বিং মেছিনৰ পৰা তেজ লগা গাৰুৰ কভাৰ আৰু বিচনা চাদৰো উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে গোচৰ ৰুজু কৰি হত্যাকাৰী স্বামীক গ্ৰেপ্তাৰ কৰিছে। ইফালে আৰক্ষীয়ে ২৪ ঘণ্টাৰ ভিতৰতে এই হত্যাকাণ্ডৰ ৰহস্য উন্মোচন কৰিবলৈ সক্ষম হোৱাত উপ-মহাপৰিদৰ্শক মুকেশ শ্ৰীবাস্তৱে তদন্তকাৰী দলটোক ২০ হাজাৰ টকা পুৰস্কাৰ প্ৰদানৰ ঘোষণা কৰে।

শেষ পৃষ্ঠা

# ভাৰতীয় দলত ছৰফৰাজ খান, সৌৰভ কুমাৰ

**হায়দৰাবাদ, ২৯ জানুৱাৰীঃ** ইংলেণ্ডৰ বিৰুদ্ধে অহা ২ জানুৱাৰীৰ পৰা বিশাখাপত্তনমত খেলিব লগীয়া ভাৰতীয় দলত দুই নবাগত ছৰফৰাজ খান আৰু সৌৰভ কুমাৰে স্থান লাভ কৰিছে। এওঁলোকৰ উপৰিও ২০২১ চনৰ পিছত প্ৰথম বাৰলৈ টেষ্ট দললৈ উভতি আহিছে ৱাশ্বিংটন সুন্দৰ। ইফালে আঘাতৰ বাবে দলৰ পৰা বাহিৰ হৈছে অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাদেজা আৰু উইকেট কীপাৰ বেটাৰ কে এল ৰাহুল।ঘৰুৱা ক্ৰিকেটত ধাৰাবাহিকভাৱে সুন্দৰ প্ৰদৰ্শন কৰি অহা মিডল অৰ্ডাৰ বেটাৰ ছৰফৰাজ খানে দলত স্থান লাভ নকৰাকৈ বহুতে সমালোচনা কৰিছিল। শেহতীয়াভাৱে তেওঁ ইংলেণ্ড লায়নৰ বিৰুদ্ধে ভাৰতীয় এ দলৰহৈ ১৬১ ৰান কৰিছিল। সেই একেখন খেলৰ দ্বিতীয় ইনিংছত বাওঁ হতীয়া স্পিনাৰ সৌৰভে পাঁচটা উইকেট দখল কৰিছিল। তেওঁলোকে যেন তাৰেই পুৰস্কাৰ লাভ কৰিলে। অলৰাউণ্ডাৰ ৱাশ্বিংটন সুন্দৰে ঘৰুৱা ক্ৰিকেটত ধাৰাবাহিকভাৱে প্ৰদৰ্শন কৰি আহিছে।





■ বিগ বছ চিজন-১৭ জিকি গৃহ চহৰত উপস্থিত হোৱা মুনাৱাৰ ফাৰুকীক উষ্ম আদৰণি

# অসমৰ শ্বিনা বৰাৰ কাহিনীক লৈ নেটফ্লিক্সত নতুন ৱেব ছিৰিজ

**অনলাইন ফিচাৰ্ছ, ২৯ জানুৱাৰী:** অ'টিটিৰ পৰ্দাত অতি শীঘ্ৰে দৃশ্যায়িত হ'ব মাতৃৰ হাতত প্ৰাণ হেৰুওৱা শ্বীনা বৰাৰ হত্যাকাণ্ডৰ লোমহৰ্ষক কাহিনী। শ্বীনা বৰাৰ হত্যাৰ বিভিন্ন দিশ উন্মোচন কৰি 'ইণ্ডিয়া টুডে অৰিজিনেল'-এ নিৰ্মাণ কৰা এখন ডকুমেণ্টৰি চিৰিজ অতি শীঘ্ৰে মুক্তি দিয়া হ'ব অ'টিটি প্লেটফৰ্ম নেটফ্লিক্সত। সোমবাৰে এই ডকুমেণ্টৰি ছিৰিজখনৰ প্ৰথমখন পোষ্টাৰ মুকলি কৰাৰ লগতে মুক্তিৰ তাৰিখো প্ৰকাশ কৰিছে নেটফ্লিক্সে। 'দ্য ইন্দ্ৰাণী মুখাৰ্জী ষ্ট'ৰীঃ বাৰিড ট্ৰুথ' নামৰ এই তথ্যচিত্ৰখনৰ জৰিয়তে উন্মোচন কৰা হ'ব ইন্দ্ৰাণী মুখাৰ্জীৰ বহু গোপন অধ্যায়। মুঠ চাৰিটা খণ্ডত মুক্তিলাভ কৰিবলগীয়া তথ্যচিত্ৰখনৰ জৰিয়তে শ্বীনা বৰাৰ হত্যাৰ সৈতে জড়িত বহু তথ্য পোহৰলৈ অনা হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, ২০১৫ চনত সংঘটিত হৈছিল দেশ কঁপাই যোৱা শ্বীনা বৰাৰ হত্যাকাণ্ড। ২৫ বৰ্ষীয় যুৱতীগৰাকীৰ হত্যাকাণ্ডৰ গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল মাতৃ তথা আই এন এক্স মিডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া ইন্দ্ৰাণী মুখাৰ্জীক। পৰৱৰ্তী সময়ত পোহৰলৈ আহিছিল এই নিৰ্মম হত্যাকাণ্ডৰ ইটোৰ পিছত সিটোকৈ অনেক তথ্য। দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰা শ্বীনা বৰাৰ হত্যাকাণ্ডৰ ওপৰতে নিৰ্মাণ কৰা হৈছে 'দ্য ইন্দ্ৰাণী মুখাৰ্জী ষ্ট'ৰীঃ বাৰিড ট্ৰুথ' নামৰ ডকুমেণ্টৰী ছিৰিজখনৰ।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান